৯.৯ অগ্রগতিৰ নিৰক্ষীণ

১নং প্রশ্নৰ উত্তৰ ঃ বিশ্বত সাধাৰণতে চাৰিধৰণৰ অৰ্থনৈতিক ব্যৱস্থা আছে। এইকেইটা হৈছে ক) পৰম্পৰাগত অৰ্থনৈতিক ব্যৱস্থা, খ) নিয়ন্ত্রিত অৰ্থনৈতিক ব্যৱস্থা, গ) বজাৰ অৰ্থনৈতিক ব্যৱস্থা আৰু গ) মিশ্রিত অৰ্থনৈতিক ব্যৱস্থা।

২নং প্রশ্নৰ উত্তৰ ঃ ইংলেণ্ডত উদ্যোগিক বিপ্লৱৰ প্রাকক্ষণত ইষ্ট ইণ্ডিয়া কোম্পানীয়ে ভাৰতত উৎপাদিত সামগ্রী, বস্ত্র, মচলা আদিআন ইউৰোপীয় দেশলৈ ৰপ্তানি কৰাত গুৰুত্ব প্রদান কৰিছিল।

৩নং প্রশ্নৰ উত্তৰ ঃ অৰ্থনীতিৰ পুনৰুদ্ধাৰৰ বাবে নেহৰুৱেবাবে নেহৰুৱে ১৯৫১ চনত প্রথম পঞ্চবার্ষিক পৰিকল্পনাৰ প্রৱর্তন কৰিছিল।

৪নং প্রশ্নৰ উত্তৰ ঃ ১৯৯১ চনত নতুন অৰ্থনৈতিক আঁচনি প্রচলন কৰাৰসময়তে ভাৰতত উদাৰীকৰণৰ প্রক্রিয়া আৰম্ভ হৈছিল।

৫নং প্রশ্নৰ উত্তৰ ঃ গোলকীকৰণ উদাহৰণ- BPO সমূহ।

৯.৯ আৰ্হি প্রশ্ন

ক) চুটি প্রশ্ন (১৫০ শব্দৰ ভিতৰত উত্তৰ লিখক)

প্রশ্ন ১ঃ ভাৰতত অৰ্থনৈতিক উদাৰীকৰণৰ ওপৰত এক চমু টোকা লিখা।

প্রশ্ন ২ঃ ব্যক্তিগতকৰণৰ প্রধান সুবিধা আৰু অসুবিধাসমূহ কি কি?

প্রশ্ন ৩ঃ ৰায়তোৱাৰী প্রথা কি?

খ) ৰচনাধর্মী প্রশ্ন (৩০০-৫০০ শব্দৰ ভিতৰত উত্তৰ লিখক)

প্রশ্ন ১ঃ স্বাধীনোত্তৰ ভাৰতীয় অৰ্থনীতিৰ ওপৰত এখন ৰচনা লিখা।

প্রশ্ন ২ঃ অৰ্থনীতিৰ বিভিন্ন প্রকাৰৰ লগতেইয়াৰ বৈশিষ্ট্যসমূহ আলোচনা কৰা।

*** ***** ***